# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 17-10-2026
**Time :** 7:10 PM

ASSAMESE EVENING NSD BULLETIN

## HEADLINES

::::::::::::::::::::

১। উচ্চতম ন্যায়ালয়ে শিশুসহ প্ৰতিগৰাকী ব্যক্তিৰ বাবে ইণ্টাৰনেটৰ সুবিধা আৰু ব্যৱহাৰ মৌলিক অধিকাৰ বুলি ঘোষণা কৰিছে।

২। ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণে নৱজাতকৰ পুষ্টিৰ বাবে খাদ্য সম্পৰ্কীয় খাদ্য সুৰক্ষা আৰু মান নিয়মাৱলী ২০২০ৰ খচৰা সংশোধনী প্ৰকাশ কৰিছে।

৩। এয়াৰ ইণ্ডিয়া আৰু এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে পশ্চিম এছিয়াৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ২৪ অক্টোবৰ পৰ্যন্ত জেড্ডা, ৰিয়াড আৰু ডম্মামলৈ বিমান সেৱা সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। অসম বিধানসভা ভৱনৰ পৰা বড়ো ভাষা আঁতৰোৱা বুলি প্ৰকাশিত বাতৰি সম্পূৰ্ণ ভিত্তিহীন বুলি বিধান সভাৰ সচিবালয়ে স্পষ্ট কৰি দিছে। *আৰু*

৫। ভাৰতৰ অমৃতা পূজাৰীয়ে ২৩ বছৰ অনুৰ্ধ বিশ্ব মল্লযুদ্ধ প্ৰতিযোগিতাৰ মহিলাৰ ৭২ কিলোগ্ৰাম ওজন শাখাত ৰূপৰ পদক অৰ্জন কৰিছে।

০০০০০

উচ্চতম ন্যায়ালয়ে সংবিধানৰ ২১ নম্বৰ অনুচ্ছেদ আৰু ১৯ নম্বৰ অনুচ্ছেদৰ ১ নম্বৰ (ক) দফাৰ অধীনত শিশুসহ প্ৰতিগৰাকী ব্যক্তিৰ বাবে ইণ্টাৰনেটৰ সুবিধা আৰু ব্যৱহাৰ মৌলিক অধিকাৰ বুলি ঘোষণা কৰিছে। ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু ন্যায়াধীশ কে বিনোড চন্দ্ৰনক লৈ গঠিত এখন বিচাৰপীঠে আজি কয়, যে বয়স নিৰ্বিশেষে সকলো শিশুৰ বাবেও এই নিয়ম প্ৰযোজ্য। শিশুক অনলাইন ব্যৱস্থাৰ ক্ষতিৰ পৰা ৰক্ষা কৰাৰ নামত তেওঁলোকক ইণ্টাৰনেটৰ সুবিধাৰ পৰা সম্পূৰ্ণৰূপে বঞ্চিত কৰিব পৰা নাযায় বুলি ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে। সৰ্বোচ্চ ন্যায়ালয়ে অনলাইন মঞ্চসমূহত শিশুৰ যৌন শোষণ আৰু আতিশয্যৰ সৈতে জড়িত বিষয়বস্তু ধৰা পেলোৱা আৰু সেইসমূহ আঁতৰ কৰাৰ ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ নিৰ্দেশ দিয়ে। ইণ্টাৰনেটৰ ক্ষেত্ৰত আৰোপ কৰা বিভিন্ন নিষেধাজ্ঞা প্ৰত্যাখ্যান কৰি বিচাৰপীঠখনে কয়, যে ইণ্টাৰনেট শিক্ষা, ভাবধাৰাৰ আদান-প্ৰদান আৰু সামাজিক সম্পৰ্কত গুৰুত্বপূৰ্ণ মাধ্যম। দূৰণিবটিয়া এলেকাত বাস কৰা শিশু আৰু বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ বাবে ইণ্টাৰনেটৰ বিশেষ গুৰুত্ব আছে বুলি বিচাৰপীঠখনে প্ৰকাশ কৰে। ন্যায়াধীশ দুগৰাকীয়ে কয়, যে ইণ্টাৰনেটৰ ব্যৱহাৰ ক্ষেত্ৰত পূৰ্ণ প্ৰতিবন্ধকতা আৰোপ কৰিলে শিশুসকল অনিয়ন্ত্ৰিত অনলাই মঞ্চৰ প্ৰতি আকৰ্ষিত হ'ব বা অনলাইন আতিশয্যৰ ঘটনাৰ বিষয়ে অৱগত কৰাৰ পৰা বিৰত থাকিব। ন্যায়ালয়ে পূৰ্ণ প্ৰতিবন্ধকতাৰ পৰিৱৰ্তে বয়স অনুসৰি সন্তুলিত অনলাইন সুৰক্ষা ব্যৱস্থা আকোৱালি লোৱাৰ সপক্ষে মত পোষণ কৰে। ন্যায়ালয়ে লগতে

অভিভাৱকৰ সন্মতিৰ ব্যৱস্থা, একাউণ্টৰ অবিকল্পিত গাইগুটীয়া চেটিং, অজ্ঞাত প্ৰাপ্ত বয়স্ক লোকৰ সৈতে যোগাযোগৰ ক্ষেত্ৰত বাধানিষেধ আৰু সামাজিক মাধ্যমৰ একাউণ্টৰ বাবে সুকীয়া ছাইল্ড মুডৰ দৰে ব্যৱস্থা গ্ৰহণ কৰাৰ পৰামৰ্শ আগবঢ়ায়। সৰ্বোচ্চ ন্যায়ালয়ে এই সতৰ্কতামূলক ব্যৱস্থাসমূহ ৰূপায়ণৰ নীতি-নিৰ্দেশনা প্ৰস্তুত কৰাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ ওপৰত ন্যস্ত কৰে।

০০০০০

ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণে নৱজাতকৰ পুষ্টিৰ বাবে খাদ্য বিষয়ক খাদ্য সুৰক্ষা আৰু মান নিয়মাৱলী, ২০২০ ৰ খচৰা সংশোধনী প্ৰকাশ কৰিছে। এই সংশোধনীত ছমাহ বয়সলৈকে নৱজাতকৰ বাবে নিৰ্ধাৰিত খাদ্য সামগ্ৰীত চুক্ৰ'জ আৰু ফ্ৰুক্ট'জ যোগ কৰাত নিষেধাজ্ঞা আৰোপ কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। জীৱনৰ গুৰুত্বপূৰ্ণ প্ৰথম ছটা মাহত নৱজাতকৰ উপযুক্ত পুষ্টি আৰু সুস্থ বৃদ্ধি আৰু বিকাশত সহায় কৰাই হৈছে এই প্ৰস্তাবিত নিষেধাজ্ঞাৰ প্ৰধান লক্ষ্য। জীৱনৰ প্ৰথম ছমাহ সুস্থ বৃদ্ধি আৰু বিকাশৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ সময়, যাৰ বাবে এই সময়ছোৱাত সঠিক পুষ্টিৰ যোগান বিশেষভাৱে প্ৰয়োজনীয় হৈ পৰে। প্ৰস্তাৱিত নিষেধাজ্ঞাই নৱজাতকৰ পুষ্টি সামগ্ৰীসমূহত যাতে চুক্ৰ'জ আৰু ফ্ৰুক্ট'জৰ অপ্ৰয়োজনীয় সংযোজন নোহোৱাকৈ এই বয়সৰ শিশুসকলৰ পুষ্টিৰ প্ৰয়োজন পূৰণ কৰে, সেয়া নিশ্চিত কৰিব বিচাৰে। শৈশৱকালৰ মেদবহুলতা আৰু ইয়াৰ সৈতে জড়িত স্বাস্থ্যজনিত প্ৰত্যাহ্বানসমূহকে ধৰি খাদ্যজনিত বিপদ আশংকা তথা সৰু কালতে অতিৰিক্ত চেনিৰ খোৱাৰ লগত জড়িত উদ্বেগসমূহ দূৰ কৰাৰ বাবে লোৱা বৃহত্তৰ জনস্বাস্থ্যৰ ব্যৱস্থাক সমৰ্থন কৰাটোও এই নিয়মাৱলীৰ উদ্দেশ্য। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, সংশ্লিষ্ট অংশীদাৰসকলৰ পৰা ৬০ দিনৰ ভিতৰত ওজৰ আপত্তি আৰু পৰামৰ্শ বিচাৰি এই খচৰা অধিসূচনা ৰাজহুৱা পৰামৰ্শৰ বাবে প্ৰকাশ কৰা হৈছে। নিৰ্ধাৰিত সময়ৰ ভিতৰত লাভ কৰা মতামতসমূহ সংশোধনী চূড়ান্ত কৰাৰ পূৰ্বে এফ এছ এছ এ আইয়ে বিবেচনা কৰিব।

০০০০০

এয়াৰ ইণ্ডিয়া আৰু এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে পশ্চিম এছিয়া অঞ্চলৰ সাম্প্ৰতিক পৰিস্থিতিলৈ চাই ২৪ অক্টোবৰ পৰ্যন্ত জেড্ডা, ৰিয়াড আৰু ডন্মামলৈ বিমান সেৱা সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিমান পৰিবহন প্ৰতিষ্ঠান দুটাই প্ৰকাশ কৰা মতে ১৫ অক্টোবৰ বা ইয়াৰ পূৰ্বে বুক কৰা আৰু ৯ ৰ পৰা ২৫ অক্টোবৰৰ ভিতৰৰ যাত্ৰা কৰিবলগীয়া যাত্ৰীসকলে অহা ১০ নৱেম্বৰলৈকে সংশ্লিষ্ট বিমানযোগে এবাৰ যাত্ৰাৰ দিন পৰিৱৰ্তনৰ সুবিধা লাভ কৰিব। যিসকল যাত্ৰীয়ে পূৰ্বে বাচি লোৱা বিমান বন্দৰৰ পৰা পুনৰ টিকট বুক কৰিব নিবিচাৰে তেওঁলোকে টিকটৰ উপলভ্যতা অনুসৰি পৰিবহন সংস্থা দুটাই সেৱা আগবঢ়োৱা উপ-সাগৰীয় সহযোগিতা পৰিষদৰ আন কোনো বিকল্প বন্দৰৰ পৰা পুনৰ বুকিং কৰিব পাৰিব বুলি সংস্থা দুটাই জানিবলৈ দিছে। সংস্থা দুটাই প্ৰকাশ কৰা মতে কোনো যাত্ৰীয়ে যদি ভ্ৰমণ নকৰাৰ সিদ্ধান্ত ল'লে তেওঁলোকক সম্পূৰ্ণ ধন ঘূৰাই দিয়া হ'ব।

০০০০০

অসম বিধানসভা ভৱনৰ পৰা বড়ো ভাষা আঁতৰোৱা বুলি প্ৰকাশিত বাতৰি সম্পূৰ্ণ ভিত্তিহীন বুলি বিধান সভাৰ সচিবালয়ে স্পষ্ট কৰি দিছে। বিধানসভা সচিবালয়ে আজি জাৰি কৰা এখন প্ৰেছ বিজ্ঞপ্তি অনুসৰি বিধানসভা ভৱনৰ পৰা বড়ো ভাষা আঁতৰোৱাৰ কোনো সিদ্ধান্ত বা পদক্ষেপ লোৱা হোৱা নাই। বিধানসভাৰ ভৱনৰ সন্মুখভাগৰ কিছু মেৰামতিৰ ব্যৱস্থা কৰা হৈছে আৰু এই মেৰামতিৰ কাম চলি থকাৰ পৰিপ্ৰেক্ষিতত এই বিভ্ৰান্তিৰ সৃষ্টি হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি **জন বিশ্বাস আইনৰ** দৰে উদ্যমৰ জৰিয়তে কিদৰে এই দৃষ্টিভংগী বাস্তৱায়িত কৰা হৈছে, সেই বিষয়ে আলোকপাত কৰা হৈছে।

দেশত বছৰ বছৰ ধৰি ভালে কেইখন আইনৰ অধীনত সৰু সৰু পদ্ধতিগত ভুলকো ফৌজদাৰী অপৰাধ বুলি গণ্য কৰা হৈছিল আৰু ইয়াৰে বহুতো দফা পুৰণি নিয়ন্ত্ৰণ ব্যৱস্থাৰ অংশ আছিল। এই আইন অধিক সন্তুলিত আৰু ব্যৱহাৰিক কৰি তোলাৰ আৱশ্যকতাৰ কথা স্বীকাৰ কৰি নৰেন্দ্ৰ মোদী চৰকাৰে এই দফাসমূহ পৰ্যালোচনাৰ ব্যৱস্থা কৰে। এই দিশত লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপৰ অংশ হিচাপে জন বিশ্বাস সংশোধনী আইন ২০২৩ প্ৰৱৰ্তন কৰা হয়। এই আইনৰ জৰিয়তে কেইবাখনো কেন্দ্ৰীয় আইনৰ অধীনত সৰু সৰু অপৰাধৰ বাবে থকা ফৌজদাৰী জৰিমনাৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰা হয়। চৰকাৰে এই সংস্কাৰৰ ধাৰা অব্যাহত ৰাখি জনবিশ্বাস সংশোধনী বিধেয়ক ২০২৬ সংসদত উত্থাপন কৰে আৰু সদনে যোৱা এপ্ৰিলত বিধেয়কখন গ্ৰহণ কৰে। বিধেয়কখন আইনত পৰিণত হোৱাত পুৰণি তথা অপ্ৰসংগিক দফাসমূহ আঁতৰাই এহেজাৰৰো অধিক অপৰাধৰ ক্ষেত্ৰত শাস্তিৰ ব্যৱস্থা অধিক যুক্তিসংগত কৰি তোলা হয়। যোৱা বছৰ স্বাধীনতা দিৱস উপলক্ষে দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে চৰকাৰে ৪০ হাজাৰৰো অধিক অপ্ৰাসংগিক নিয়ম আৰু ডেৰ হাজাৰৰো অধিক আও পুৰণি আইন বাতিল কৰিছে।

(বাইট ঃ মোদী)

বিধেয়কখন গৃহীত হোৱাৰ পাছত বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে সংবাদমেলত কয়, যে দেশক ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰ ৰূপে গঢ়ি তোলাৰ যাত্ৰাৰ দিশৰ পৰা বিধেয়কখন গুৰুত্বপূৰ্ণ।

(বাইট : পীয়ুষ)

দেশৰ নিয়ামক পৰিকাঠামোৰ আধুনিকিকৰণ আৰু ইয়াক বিশ্বজনীনভাৱে গ্ৰহণযোগ্য নীতিৰ অৱনুৰূপ কৰি তোলাৰ দিশৰ পৰা জনবিশ্বাস আইন গুৰুত্বপূৰ্ণ।

০০০০০

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে আজি নতুন দিল্লীত বায়ু প্ৰদূষণ নিয়ন্ত্ৰণৰ দিশত কাম কৰি থকা ষ্টাৰ্ট-আপ আৰু উদ্ভাৱনী কোম্পানীসমূহৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত দিল্লী আৰু ইয়াৰ কাষৰীয়া ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলত বায়ু

প্ৰদূষণৰ সমস্যা সমাধানৰ বাবে ব্যৱহাৰিক, সম্প্ৰসাৰণযোগ্য আৰু প্ৰযুক্তিভিত্তিক সমাধান বিকশিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

বৈঠকত শ্ৰীযাদৱে কয় যে ষ্টাৰ্ট-আপসমূহৰ সৈতে এই মত বিনিময় নীতি নিৰ্ধাৰক আৰু প্ৰযুক্তি উদ্ভাৱকসকলৰ মাজৰ ব্যৱধান দূৰ কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা এটা নতুন আৰু সক্ৰিয় পদক্ষেপ। তেওঁ কয় যে এনে পদক্ষেপে নীতি ৰূপায়ণত অধিক সামঞ্জস্য স্থাপন কৰাৰ লগতে প্ৰশাসনত স্বচ্ছতা বৃদ্ধি কৰাত সহায় কৰিব । মন্ত্ৰীগৰাকীয়ে সমগ্ৰ চহৰখনৰ বায়ুৰ মান নিৰীক্ষণত গুৰুত্ব আৰোপ কৰাৰ লগতে প্ৰদূষণমুক্ত বাহন তথা সুচাৰুৰূপে যান-জঁট ব্যৱস্থাপনাৰ বাবেও আহ্বান জনায়। তেওঁ লগতে কয় যে শস্যৰ অৱশিষ্ট, গোটা আৱৰ্জনা আৰু নিৰ্মাণ তথা ভঙাৰ পাছত ওলোৱা আৱৰ্জনাৰ বৈজ্ঞানিক ব্যৱস্থাপনাৰ বাবে ষ্টাৰ্ট-আপসমূহে পৰিৱেশ অনুকূল সমাধানৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে।

বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত শ্ৰীযাদৱে বায়ু প্ৰদূষণৰ তথ্য বাস্তৱিকভাৱে বুজি পোৱাৰ দিশত আগবাঢ়িবলৈ কৃত্ৰিম বুদ্ধিমত্তা আৰু অন্যান্য প্ৰযুক্তি ব্যৱহাৰ কৰাটোৱেই আছিল এই মত বিনিময়ৰ মূল বিষয় আছিল বুলি উল্লেখ কৰে। তেওঁ কয় যে চৰকাৰে ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলৰ বাবে আগতীয়াকৈ কাৰ্যপৰিকল্পনা প্ৰস্তুত কৰি ৰাখিছে।

ooooo

ভাৰতৰ অমৃতা পূজাৰীয়ে আমেৰিকাৰ লাছ ভেগাছত অনুষ্ঠিত ২৩ বছৰ অনুৰ্ধ বিশ্ব মল্লযুদ্ধ প্ৰতিযোগিতাৰ মহিলাৰ ৭২ কিলোগ্ৰাম ওজন শাখাত ৰূপৰ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকী আজি ফাইনেলত উইক্ৰেইন ইৰিনা জাব্‌ল’ৎস্কাৰ হাতত ০-৬ ফলাফলত পৰাজিত হৈ ৰূপৰ পদকত সন্তুষ্ট থাকিবলগীয়া হয়। ইয়াৰ পূৰ্বে কালি ভাৰতৰ আন এগৰাকী খেলুৱৈ কোমলে মহিলাৰ ৫৯ কিলোগ্ৰম ওজন শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

ooooo

বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত কিছুসময়ৰ পাছত ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিম খেলত অনুষ্ঠিত হ’ব। দুয়োটা দলে বৰ্তমানলৈকে দুখনকৈ খেলত জয়লাভ কৰিছে।

ইফালে, ভাৰত আৰু জিম্বাব’ৱেৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া টী-২০ শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ ৰায়পুৰত অনুষ্ঠিত হব।

ooooo

সমাপ্ত